REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
..........

Date : 16-05-2012
Time : 0850 HOURS

ASSAMESE NEWS BULLETIN
HEADLINES

১। বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাম-কাজে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশৰ ক্ষতিসাধন কৰা বুলি কেন্দ্ৰীয় চৰকাৰৰ মন্তব্য। বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ পৰা পৰিৱেশৰ ক্ষতিসাধন হ'বলৈ দিয়া নহয় বুলি অৰুণাচলৰ বৌদ্ধ ভিক্ষুলৈ প্ৰতিশ্ৰুতি।

২। প্ৰবল ধুমুহা-বৰষুণৰ ফলত নামনি অসমত ক্ষতিসাধন। বিভিন্ন ঠাইত বিদ্যুৎ যোগান ব্যাহত।

৩। নলবাৰী জিলাৰ নাথকুছিত নিৰ্মীয়মান মেগা ফুড-পাৰ্কখন চলিত বছৰৰ শেষৰ ফালে মুকলি কৰা হ'ব বুলি উদ্যোগ মন্ত্ৰীৰ ঘোষণা।

আৰু

৪। সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাত আজি অসমৰ অন্তিমখন লীগ খেলত হাৰিয়ানাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বীতা।

oooooooo

ৰাজহুৱা খণ্ডৰ লগতে কেইবাটাও ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ কাম-কাজে বিগত তিনি বছৰত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশৰ ক্ষতিসাধন কৰি আহিছে। কালি ৰাজ্যসভাত এই তথ্য সদৰি কৰি কেন্দ্ৰীয় পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী জয়ন্তী নটৰাজনে কয় যে, যোৱা বছৰসমূহত কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰালয়ে পৰিৱেশৰ ক্ষতি হ'ব পৰা কাম-কাজ চলাই অহা প্ৰতিষ্ঠান হিচাপে অইল, অ' এন জি চি, North-eastern Electric Power Corporation Ltd., হিন্দুস্তান অইল এক্সপ্লৰেশ্যন কোম্পানী আৰু মেঘালয় চিমেণ্ট লিমিটেডকে ধৰি কেইবাটাও প্ৰতিষ্ঠানক চিনাক্ত কৰিছে। সাংসদ কুমাৰ দীপক দাসৰ এটা লিখিত প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰী গৰাকীয়ে কয় যে এই প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ সংস্থাৰ অধীনত বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আনহাতে নামনি সোঁৱণশিৰি নদী বান্ধৰ ফলত ব্ৰহ্মপুত্ৰৰ শিহুৰ ওপৰত পৰিব পৰা বিৰূপ প্ৰভাৱৰ সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰীনটৰাজনে কয় যে, শিহুক ৰাষ্ট্ৰীয় জলচৰ প্ৰাণী হিচাপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই প্ৰাণী বিধৰ অনিষ্ট হ'ব পৰা কোনো ধৰণৰ কাৰ্য্যত কেন্দ্ৰীয় চৰকাৰে অনুমোদন নজনায়। তেওঁ লগতে স্পষ্ট কৰি দিয়ে যে, প্ৰয়োজন সাপেক্ষে শিহুৰ সংৰক্ষণৰ বাবে সমগ্ৰ নদীখনৰ গতি অধ্যয়ন কৰা হ'ব আৰু বান্ধ নিৰ্মাণৰ সময়ছোৱাত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী সুৰক্ষা আয়োগৰ নিয়মৰ অধীনত বন্য প্ৰাণীৰ সুৰক্ষাৰ বিষয়সমূহ বিচাৰাধীন হৈ থাকিব।

oooooooo

আনহাতে, কেন্দ্ৰীয় চৰকাৰে বৃহৎ নদীবান্ধসমূহৰ দ্বাৰা অৰুণাচল প্ৰদেশকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ কোনো ধৰণৰ ক্ষতিসাধন নোহোৱাটো নিশ্চিত কৰিব বুলি কেন্দ্ৰীয় শক্তিমন্ত্ৰী সুশীল কুমাৰ চিন্দেই স্পষ্ট কৰি দিছে। অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া তাৱাং অঞ্চলৰ কেইগৰাকীমান বৌদ্ধ ভিক্ষুৱে কালি শক্তিমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ ভয়াবহ প্ৰভাৱৰ আশংকাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ সময়ত তেওঁ এই কথা প্ৰকাশ কৰে। প্ৰস্তাৱিত জলবিদ্যুৎ প্ৰকল্পবোৰে ৰাজ্যখনৰ বৌদ্ধ মঠ আৰু কৃষিভূমিৰ ব্যাপক ক্ষতিসাধন কৰাৰ আশংকাৰে তেওঁলোকে বিষয়টোত উদ্বেগ প্ৰকাশ কৰে।

বৌদ্ধ ভিক্ষুসকলৰ নেতৃত্ব বহন কৰা বি জে পি সাংসদ তৰুণ বিজয়ে বিবৃতিযোগে জনোৱা মতে কেন্দ্ৰীয় শক্তিমন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ আশংকাৰ বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ লগতে এনেধৰণৰ ক্ষয়-ক্ষতি নোহোৱাটো নিশ্চিত কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। অৰুণাচল প্ৰদেশক উন্নয়নৰ বাবে শক্তি প্ৰয়োজনীয় বুলি উল্লেখ

কৰি তেওঁ কয় যে এনে শক্তি আহৰণৰ সমান্তৰালভাৱে স্থানীয় জনসাধাৰণৰ ধৰ্মীয় অনুভূতিকো গুৰুত্ব প্ৰদান কৰা হ'ব।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইৰ ওপৰেৰে কালি সন্ধিয়া আৰু নিশাৰ ভাগত পাৰ হৈ যোৱা এজাক ধুমুহাত বিশেষকৈ নামনি অসমত ভালেমান ঘৰ-দুৱাৰৰ ক্ষতিসাধন হোৱাকে ধৰি বিভিন্ন শ্ৰেণীৰ জনসাধাৰণ ক্ষতিগ্ৰস্ত হয়। ৰঙিয়া, বাক্সা, বৰপেটা আদি বহু অঞ্চলত ধুমুহাৰ লগতে শিলাবৃষ্টি আৰু বজ্ৰপাতৰ ফলতো বহুলোকৰ ক্ষতিসাধন হয়।

বাক্সা জিলাৰ মেডা গাঁও, খাৰুৱা কদমতল আদি অঞ্চলত যোৱা নিশা পাৰ হৈ যোৱা এজাক প্ৰৱল ধুমুহা-বৰষুণৰ ফলত অঞ্চলটোৰ বিস্তৰ ক্ষতিসাধন হয়। আমাৰ সংবাদদাতাই জনোৱা মতে ধুমুহাৰ ফলত ঠায়ে ঠায়ে ঘৰ-দুৱাৰ ভাগি পৰাৰ লগতে গছ-গছনি, বিদ্যুতৰ খুটা আদি উভালি পৰি বিদ্যুৎ সংযোগ ব্যাহত হয়। ইয়াৰ ফলত জিলাখনৰ কোনো কোনো ঠাইত পথ যোগাযোগো ব্যাহত হয়।

বৰপেটা জিলাৰ জাহুৰপাম অঞ্চলত যোৱানিশা বজ্ৰ পৰি প্ৰায় ৫ জন লোক আহত হোৱাৰ লগতে বহুসংখ্যক গছ-গছনিও ভাগি পৰে। আমাৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ গজিয়াকে ধৰি ভালেমান অঞ্চলত হোৱা শিল বৰষুণতো খেতি-পথাৰ, গছ-গছনি আদিৰ ব্যাপক ক্ষতিসাধন হয়। বৰপেটা, বৰপেটাৰোড আদি বিভিন্ন চহৰ অঞ্চলতো ধুমুহাৰ ফলত বিদ্যুৎ সংযোগ ব্যাহত হোৱাৰ লগতে ঘৰ-দুৱাৰ আদিৰ ক্ষতিসাধন হয়। আনহাতে ৰঙিয়া মহকুমাৰ পুঠিমাৰি, কমলপুৰ, ননৰা, কৰৰা, তুলসীবাৰী আদি বিভিন্ন অঞ্চলত যোৱা নিশা ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰে। ঠায়ে ঠায়ে বাসগৃহ আৰু বিদ্যালয়ৰ চাল আদি উৰুৱাই নিয়াৰ লগতে বিভিন্ন অঞ্চলত বিদ্যুৎ সেৱাও ব্যাহত হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

ইফালে আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে পৰহি পুৱতি নিশা তিনিচুকীয়া, ডিব্ৰুগড়, নলবাৰী আৰু চিৰাং জিলাৰ লগতে সমগ্ৰ ৰাজ্যকে জোকাৰি যোৱা প্ৰচণ্ড ধুমুহা বতাহত এটি শিশু আৰু এগৰাকী মহিলাকে ধৰি কমেও ৫ জন লোক মৃত্যুমুখত পৰে আৰু কেবাজনো গুৰুতৰভাৱে আহত হয়।

বৰঝাৰত থকা আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ১২ ঘণ্টাৰ বাবে দিয়া বতৰৰ আগজাননী অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ আকাশ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে গাজনি-ঢেৰেকণিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। ৰাজ্যখনৰ ঠায়ে ঠায়ে এই সময়ছোৱাত ঘণ্টাত প্ৰায় ৫০ কিলোমিটাৰ গতিবেগত এজাক ধুমুহা অহাৰ সম্ভাৱনা প্ৰকাশ কৰাৰ লগতে এই সময়ছোৱাত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা ৩৫ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি প্ৰতিষ্ঠানটোৱে জানিবলৈ দিছে।

০০০০০০০০

নলবাৰী জিলাৰ টিহুৰ নাথকুছিত নিৰ্মীয়মান অৱস্থাত থকা উত্তৰ-পূব মেগা ফুড-পাৰ্কখন চলিত বছৰৰ শেষৰ ফালে মুকলি কৰা হ'ব বুলি উদ্যোগমন্ত্ৰী প্ৰদ্যুৎ বৰদলৈয়ে মন্তব্য কৰিছে। ৫৮ একৰ ভূমিত ২০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত এই পাৰ্কখনত এটি কেন্দ্ৰীয় প্ৰস্তুতিকৰণ কেন্দ্ৰ, ৬টি প্ৰাথমিক প্ৰস্তুতিকৰণ কেন্দ্ৰ আৰু ১৯টা মৎস্য গোটোৱা কেন্দ্ৰ থাকিব বুলি এখন চৰকাৰী বিবৃতিত প্ৰকাশ কৰা হৈছে।

০০০০০০০০

ভূমিকম্প প্ৰৱণ এলেকা হোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগক অধিক শক্তিশালী কৰাৰ প্ৰয়োজন থকা বুলি সাংসদ কুমাৰ দীপক দাসে কালি ৰাজ্যসভাত মন্তব্য কৰিছে। শ্ৰীদীসে কয় যে যোৱা এশ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৮ৰ পৰা ৮ দশমিক ৫ প্ৰাবল্যৰ চাৰিটা, ৭ৰ পৰা ৭ দশমিক ৯ প্ৰাবল্যৰ ১৫টা, ৬ৰ পৰা ৬ দশমিক ৯ প্ৰাবল্যৰ ১২৮টা আৰু ৫ৰ পৰা ৫ দশমিক ৯ প্ৰাবল্যৰ ২০০টা ভূমিকম্প অনুভূত হৈছিল। পৃথিৱীৰ ভূমিকম্প প্ৰৱণ অঞ্চলসমূহৰ ভিতৰত অন্যতম হিচাপে স্থান লাভ কৰা এই অঞ্চলটোত দুৰ্যোগ প্ৰতিৰোধৰ বাবে কোনো ধৰণৰ বৈজ্ঞানিক আৰু অত্যাধুনিক সা-সৰঞ্জামৰ ব্যৱস্থা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ওচৰত মজুত নাই বুলিও তেওঁ অভিযোগ কৰে। ধুবুৰীত সংঘটিত শেহতীয়া নাও দুৰ্ঘটনাটোৰ উদ্ধাৰ কাৰ্যত বিভাগটোৰ সীমিত কাৰ্যক্ষমতাৰ অভিযোগ তুলি সাংসদগৰাকীয়ে কয় যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ বিভাগ আৰু প্ৰযুক্তিবিদ্যা বিভাগ এই ক্ষেত্ৰত এতিয়াও উদাসীন হৈ আছে।

০০০০০০০০

অসম গণ পৰিষদ দলৰ কেন্দ্ৰীয় সাধাৰণ অধিৱেশন আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত অনুষ্ঠিত

হ'ব। অগপৰ আমবাৰীত থকা মুখ্য কাৰ্যালয়ত আজি বিদায়ী কাৰ্যনিৰ্বাহক সমিতিৰ অন্তিমখন বৈঠক অনুষ্ঠিত হোৱাৰ পাছত সন্ধিয়া কেন্দ্ৰীয় অধিৱেশনৰ প্ৰতিনিধি শিবিৰ মুকলি কৰা হ'ব বুলি দলীয় সূত্ৰই জনাইছে। অধিৱেশনত দলটোৰ পুৰণি আৰু নতুন সাধাৰণ পৰিষদৰ প্ৰায় ৬০০ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০০

ভূৱেনশ্বৰত চলি থকা ৬৬ সংখ্যক সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজিৰ এখন গুৰুত্বপূৰ্ণ লীগ মেচত অসমে হাৰিয়ানাৰ বিৰুদ্ধে খেলিব। এই খেলখন সন্ধিয়া চাৰে ৬ বজাৰ পৰা কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। দলৰ প্ৰশিক্ষক তচেন বৰাই জনোৱা মতে, আজিৰ খেলখন অমীমাংসিতভাৱে সমাপ্ত হ'লেও, অসমে নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। অসমে ইতিমধ্যে চিক্কিম আৰু দমন-ডিউক লীগ মেচত পৰাজিত কৰিছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত স্পট ফিক্সিং কেলেংকাৰীত জড়িত থকাৰ অভিযোগত বি চি চি আইয়ে কালি পাঁচজন খেলুৱৈক সাময়িকভাৱে নিলম্বিত কৰিছে। দেশৰ এটা ব্যক্তিগত নিউজ চেনেলৰ অনুসন্ধানত খেলুৱৈকেইগৰাকীয়ে আই পি এলৰ লগতে আন ঘৰুৱা ক্ৰিকেট প্ৰতিযোগিতাত ধনৰ বিনিময়ত কেলেংকাৰীত জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ ফলত বি চি চি আইয়ে ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে খেলুৱৈকেইগৰাকীক ১৫ দিনৰ বাবে নিলম্বন কৰে। আনহাতে ক্ৰীড়া মন্ত্ৰী অজয় মাকেনে বিষয়টো গুৰুত্ব সহকাৰে লৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বি চি চি আইক আহ্বান জনাইছে।

ইপিনে, আই.পি.এল. ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত দিল্লী ডেয়াৰ ডেভিলছে কিংছ ইলেভেন পাঞ্জাবক ৫ উইকেটত পৰাজিত কৰিছে। ইয়াৰ ফলত দিল্লীৰ দলটোৱে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ নিশ্চিত কৰে। আজিৰ এখন গুৰুত্বপূৰ্ণ খেলত মুম্বাই ইণ্ডিয়ান্‌ছে কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে খেলিব।

০০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে ভিন ভিন বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। ৰাজ্যখনত যোৱা ২৪ ঘণ্টাত ধুমুহা-বৰষুণত হোৱা ক্ষয়-ক্ষতিৰ বাতৰিক আজি প্ৰায় সমূহ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিৰ্বাচনৰ পূৰ্বে অখিল গগৈয়ে অসমত নতুন ৰাজনৈতিক দল গঠন কৰিব। এই সন্দৰ্ভৰ বাতৰি আজি দৈনিক অসম, দৈনিক জনসাধাৰণ আৰু চেণ্টিনেল কাকতে মুখ্য বাতৰি প্ৰকাশ কৰাৰ লগতে আমাৰ অসম, অসমীয়া প্ৰতিদিন আৰু আজিৰ দৈনিক বাতৰি কাকতে গুৰুত্বপূৰ্ণ বাতৰি ৰূপে প্ৰকাশ কৰিছে।

পৰাগ হত্যাৰ তদন্ত, আদালতত গাফিলতি স্বীকাৰ কৰিলে চি বি আইয়ে - এই শিৰোনামাৰে অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি প্ৰকাশ কৰাৰ লগতে আজিৰ দৈনিক বাতৰি কাকতে আজি সম্পূৰ্ণ হ'ব পৰাগ হত্যা গোচৰৰ শুনানী শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। কাকতখনে দেশৰ বজাৰত আমেৰিকাৰ কালী মা বীয়েৰৰ প্ৰসংগত কালি সদনত হুলস্থুল হোৱাৰ এটা বাতৰিক বক্স নিউজৰূপে প্ৰকাশ কৰিছে। ইয়াৰ লগতে কাকতখনে শচীন টেণ্ডুলকাৰে ৰাজ্যসভাৰ সদস্যৰূপে শপত গ্ৰহণ কৰিব বুলি এটা বাতৰিক মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

পুনৰ ভাৰতীয় ক্ৰিকেটত মেচ ফিক্সিং ঃ এটা ন-বলৰ বাবে ১০ লাখ -এই শিৰোনামাৰে ক্ৰমে আমাৰ অসম আৰু দৈনিক জনসাধাৰণ কাকতে শেহতীয়াকৈ বি চি চি আইয়ে ৫জন ক্ৰিকেটাৰক নিলম্বন কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে অসমত মাওবাদী কেদাৰ ৬ শতাধিক শীৰ্ষৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ বাতৰিৰ এক চমু অৱলোকন।

০০০০০০০০

# (সমাপ্ত)